**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 12-02-2026
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১।  ৰাজ্যসভাত আজি ২০২৬-২৭ বৰ্ষৰ বাজেট সন্দৰ্ভত পুনৰ আলোচনা অনুষ্ঠিত হয়।

২।  লোকসভাই আজি ঔদ্যোগিক সম্পৰ্ক বিধি সংশোধনী বিধেয়ক-২০২৬ত অনুমোদন জনায়।

৩।  লোকসভাত আজি বিশ্বৰ ভাৰতীয় অৰ্থনৈতিক বিকাশৰ ৰূপৰেখা সম্পৰ্কীয় বিত্তীয় সমিতিৰ ২৯ সংখ্যক প্ৰতিবেদন দাখিল কৰা হয়।

৪।  বাংলাদেশত কটকটীয়া নিৰাপত্তাৰ মাজত আজি সংসদীয় নিৰ্বাচনৰ ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে সম্পন্ন হয়।

*আৰু*

৫।  টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ভাৰত নামিবিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

ooooo

ৰাজ্যসভাত আজি ২০২৬-২৭ বৰ্ষৰ বাজেট সন্দৰ্ভত পুনৰ আলোচনা অনুষ্ঠিত হয়। উল্লেখযোগ্য যে, যোৱা পহিলা ফেব্ৰুৱাৰীত বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে সংসদত বাজেট দাখিল কৰিছিল। বাজেটৰ আলোচনাত ভাগ লৈ বিজেপি নেতা মদন ৰাথোৰে কয়, যে ভাৰতৰ অৰ্থনীতি বিশ্বৰ চতুৰ্থ সৰ্ববৃহৎ অৰ্থনীতি হিচাপে পৰিগণিত হৈছে। তেওঁ কয়, যে মোবাইল নিৰ্মাণ খণ্ডত ভাৰত সম্প্ৰতি বিশ্বৰ দ্বিতীয় স্থানত আছে। তেওঁ লগতে জানিবলৈ দিয়ে যে, পূৰ্বে ভাৰতত মাত্ৰ মোবাইল নিৰ্মাণকাৰী কেৱল দুটা গোটহে আছিল, কিন্তু এতিয়া ভাৰত মোবাইল ৰপ্তানি কৰিবলৈ সমৰ্থ। শ্ৰীৰাথোৰে কয়, যে পূৰ্বে দেশৰ প্ৰায় ১৮ হাজাৰ গাঁৱত বিদ্যুতৰ ব্যৱস্থা নাছিল, কিন্তু নৰেন্দ্ৰ মোদী চৰকাৰে প্ৰতিখন গাঁৱৰ জনসাধাৰণে যাতে বিদ্যুতৰ সুবিধা লাভ কৰে, সেয়া সুনিশ্চিত কৰিছে। দেশৰ ৰপ্তানিৰ হাৰো চকুত লগা ধৰণে বৃদ্ধি পাইছে বুলিও তেওঁ লগতে জানিবলৈ দিয়ে। শ্ৰীৰাথোৰে কয়, যে ইউ পি এৰ শাসনৰ সময়ছোৱাত ৰপ্তানিৰ পৰিমাণ ৪৬৬ মিলিয়ন হোৱাৰ বিপৰীতে এই পৰিমাণ বৰ্তমান ৮০০ বিলিয়নলৈ বৃদ্ধি হৈছে।

কংগ্ৰেছৰ জি চি চন্দ্ৰশেখৰে অভিযোগ কৰে যে, এইবাৰৰ বাজেটত যদিও ৫৩ লাখ ৪০ হাজাৰ কোটি টকাৰ আবণ্টন দিয়া হৈছে, তথাপি বাজেটত ২০ বা ৩০ শতাংশ গুৰুত্বপূৰ্ণ বিষয়েও স্থান পোৱা নাই। এই বাজেটে জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰিব পৰা নাই বুলি তেওঁ প্ৰকাশ কৰে। বিজেপিৰ শম্ভু চৰণ পাটিলে কেন্দ্ৰীয় বাজেটৰ প্ৰশংসা কৰি কয়, যে এই বাজেট দেশৰ জনসাধাৰণৰ আশানুৰূপ হৈছে।

শ্ৰীপাটিলে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বৰ বাবে দেশৰ অৰ্থনীতি বৰ্তমান বিশ্বৰ চতুৰ্থ সৰ্ববৃহৎ অৰ্থনীতিৰূপে পৰিগণিত হৈছে। চি পি আইৰ সন্দোষ কুমাৰ পিয়ে এইবাৰৰ বাজেটত কেৰালাক পুনৰ অৱহেলা কৰা বুলি অভিযোগ কৰে।

০০০০০

লোকসভাই আজি ঔদ্যোগিক সম্পৰ্ক বিধি সংশোধনী বিধেয়ক-২০২৬ত অনুমোদন জনায়। এই বিধেয়কৰ জৰিয়তে ঔদ্যোগিক সম্পৰ্ক বিধি-২০২০ৰ সংশোধন কৰিব বিচৰা হৈছে। ইয়াৰ জৰিয়তে বণিক সংঘ আইন-১৯২৬, ঔদ্যোগিক নিয়োগ আইন-১৯৪৬ আৰু ঔদ্যোগিক বিবাদ আইন-১৯৪৭ৰ ব্যৱহাৰৰ ফলত যাতে ভৱিষ্যতে কোনো জটিলতাৰ সৃষ্টি নহয়, তাৰ বাবেই এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। উল্লেখযোগ্য যে, ঔদ্যোগিক সম্পৰ্ক বিধি-২০২০এ এই আইন কেইখনৰ স্থান লৈছে।

আলোচনাৰ উত্তৰ দি শ্ৰম আৰু নিয়োগ মন্ত্ৰী মনসুখ মন্দাভিয়াই কয়, যে ১৭ টা ৰাষ্ট্ৰীয় শ্ৰমিক সংগঠনে এই বিধি শ্ৰমিকসকলৰ স্বাৰ্থৰ হকে বুলি উল্লেখ কৰিছে। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে এই শ্ৰম বিধিৰ অধীনত ৪০ বছৰ ঊৰ্ধৰ সকলো শ্ৰমিকৰে প্ৰতি বছৰে এটা বাধ্যতামূলক স্বাস্থ্য পৰীক্ষা কৰাৰ ব্যৱস্থা কৰা হৈছে। সমীক্ষাৰ বিষয়ে উল্লেখ কৰি শ্ৰীমন্দাভিয়াই কয়, যে এই শ্ৰম আইনে তৃতীয় আৰু চতুৰ্থ স্তৰৰ চহৰসমূহত বিশেষকৈ নিয়োগৰ সুযোগ সৃষ্টি কৰিব।

০০০০০

লোকসভাত আজি বিশ্বৰ অৰ্থনৈতিক আৰু ভূ-ৰাজনৈতিক পৰিস্থিতিৰ প্ৰেক্ষাপটত ভাৰতীয় অৰ্থনৈতিক বিকাশৰ ৰূপৰেখা সম্পৰ্কীয় বিত্তীয় সমিতিৰ ২৯ সংখ্যক প্ৰতিবেদন দাখিল কৰা হয়। এল জে পিৰ অৰুণ ভাৰতীয়ে লোকসভাত এই প্ৰতিবেদন দাখিল কৰে। কমিটিয়ে উল্লেখ কৰে যে, ভূ-ৰাজনৈতিক উত্তেজনাৰ দ্বাৰা প্ৰভাৱিত অশান্ত বিশ্ব অৰ্থনীতিৰ মাজতে ভাৰতে ২০২৪-২৫ বৰ্ষত জি ডি পি ৬ দশমিক ৫ শতাংশ বৃদ্ধি কৰিবলৈ সমৰ্থ হৈছে। ঘৰুৱা চাহিদা আৰু বিনিয়োগৰ দ্বাৰা সমৰ্থিত ভাৰতীয় অৰ্থনীতিয়ে এই বিকাশ কৰিবলৈ সমৰ্থ হৈছে। সমিতিয়ে লগতে দ্ৰুত বিকাশশীল বৃহৎ অৰ্থনীতি হিচাপে ভাৰতৰ স্থান পৰ্য্যবেক্ষণ কৰিছে। কমিটিয়ে লগতে উল্লেখ কৰে যে, বিনিয়োগৰ হাৰ বৰ্তমানৰ ৩১ শতাংশৰ পৰা জি ডি পি প্ৰায় ৩৫ শতাংশ বৃদ্ধি পাব লাগিব।

০০০০০

দেশৰ সশস্ত্ৰ বাহিনীসমূহৰ সামৰ্থ্য বৃদ্ধিৰ উদ্দেশ্যে প্ৰতিৰক্ষা অধিগ্ৰহণ পৰিষদ ডি এ চিয়ে ৩ লাখ ৬০ হাজাৰ কোটিৰ প্ৰস্তাৱত মঞ্জুৰি দিছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে জনোৱা মতে, বহুমুখী ভূমিকা গ্ৰহণ কৰা যুদ্ধ বিমান ৰাফেল, যুদ্ধ ক্ষেপণাস্ত্ৰ আৰু আৰু উৰা জাহাজক ভিত্তি কৰি অধিক উচ্চতাত প্ৰক্ষেপণ কৰা উপগ্ৰহ ক্ৰয়ৰ বাবে প্ৰয়োজনীয় স্বীকৃতি প্ৰদান কৰা হৈছে।

মন্ত্ৰালয়ৰ মতে, ইয়াৰ জৰিয়তে বিমান আধিপত্যৰ ভূমিকা গ্ৰহণ কৰাৰ ক্ষমতা বৃদ্ধি পাব আৰু দীৰ্ঘ দূৰত্বৰ আক্ৰমণৰ দ্বাৰা আই এ এফৰ প্ৰতিৰোধ ক্ষমতা যথেষ্ট বৃদ্ধি পাব। মন্ত্ৰালয়ৰ মতে, বহুমুখী ভূমিকা গ্ৰহণ কৰা যুদ্ধ বিমানসমূহ ভাৰততে নিৰ্মাণ কৰা হ'ব। যুদ্ধ ক্ষেপণাস্ত্ৰসমূহৰ গভীৰ আক্ৰমণাত্মক ক্ষমতা বৃদ্ধি পাব।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰালয়ে ৮ খন ডৰ্ণিয়াৰ ২২৮ বিমান অধিগ্ৰহণৰ বাবে হিন্দুস্তান এৰ'নেটিকছ লিমিটেডৰ সৈতে চুক্তিত স্বাক্ষৰ কৰিছে। মন্ত্ৰালয়ে জনোৱা মতে, দুহেজাৰ ৩১২ কোটিৰ এই চুক্তিত ভাৰতীয়

উপকূলৰক্ষী বাহিনীৰ পৰিচালনাৰ ব্যয়ো অন্তৰ্ভুক্ত হৈছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে কয়, যে এই চুক্তিয়ে চৰকাৰৰ আত্ম-নিৰ্ভৰ ভাৰত আৰু মেক ইন ইণ্ডিয়াৰ প্ৰতিশ্ৰুতি আৰু সামুদ্ৰিক নিৰাপত্তাৰ নিশ্চিতি প্ৰতিফলিত কৰিছে।

০০০০০

বাংলাদেশত কটকটীয়া নিৰাপত্তাৰ মাজত আজি সংসদীয় নিৰ্বাচনৰ ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। নিৰ্বাচন আয়োগ সচিবালয়ৰ জ্যেষ্ঠ সচিব আখতাৰ আহমেদে জনোৱা মতে, দুপৰীয়া ১২ বজালৈ ৩২ দশমিক ৮-৮ শতাংশ ভোটদান শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। দুখন জিলাত গ্ৰেনেড বিস্ফোৰণকে ধৰি কেতবোৰ বিক্ষিপ্ত ঘটনা সংঘটিত হোৱাৰ বাতৰি পোৱা গৈছে যদিও পৰিস্থিতি নিয়ন্ত্ৰণাধীন আছিল বুলি জানিব পৰা গৈছে।

ভোটগ্ৰহণ প্ৰক্ৰিয়াত আজি দেশখনৰ ২৯৯টা সমষ্টি সামৰি লোৱা হয়। ছেৰপুৰ বিধানসভা সমষ্টিত এগৰাকী প্ৰাৰ্থীৰ মৃত্যুৰ পৰিপ্ৰেক্ষিতত ভোটগ্ৰহণ স্থগিত ৰখা হয়। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা মতে, এইবাৰৰ নিৰ্বাচনত ১২ কোটি ৭৭ লাখ ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰে। প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনা নেতৃত্বাধীন আবামী লীগক নিৰ্বাচনত অংশগ্ৰহণ কৰিবলৈ দিয়া হোৱা নাই।

দেশখনত সংসদীয় নিৰ্বাচনৰ লগতে জুলাই ঘোষণা পত্ৰ অনুসৰি সাংবিধানিক আৰু প্ৰতিষ্ঠানগত সংস্কাৰ সন্দৰ্ভত জনমত সংগ্ৰহ কৰা হৈছে।

০০০০০

মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড কে চাংমাই ৰাজ্যখনত অহা বছৰ হ'বলগীয়া ৰাষ্ট্ৰীয় ক্ৰীড়াৰ প্ৰস্তুতি হিচাপে নিৰ্মাণ কৰা হোমষ্টে সমূহৰ বাবে ৭০ শতাংশ ৰাজসাহায্য প্ৰদানৰ আঁচনি ঘোষণা কৰিছে। মেঘালয়ৰ পৰ্যটন বিভাগৰ উদ্যোগত তুৰাৰ প'ল অৰ্কিড হোটেলত প্ৰস্তাৱিত পঞ্চতাৰকাযুক্ত এখন ৰিজৰ্ট নিৰ্মাণৰ বাবে ভূমিদান কাৰ্যসূচীত অংশ লৈ মুখ্যমন্ত্ৰীগৰাকীয়ে এই কথা ঘোষণা কৰে। এই আঁচনিৰ অধীনত হিতাধিকাৰীসকলে ক্ৰীড়া হোষ্টেলৰ আৰ্হিত হোমষ্টে নিৰ্মাণৰ বাবে ৭০ শতাংশ ৰাজসাহায্য লাভ কৰিব। ৰাষ্ট্ৰীয় ক্ৰীড়াৰ সামৰণিৰ পাছত তেওঁলোকে হোমষ্টেসমূহ নিজাববীয়াকৈ পৰিচালনা কৰিব পাৰিব। শ্ৰীচাংমাই কয়, যে এই পদক্ষেপে কেৱল খেলুৱৈসকলৰ থকা খোৱাৰ প্ৰত্যাহ্বান দূৰ কৰাই নহয়, বৰঞ্চ উদ্যমী ব্যক্তি সৃষ্টি কৰাৰ উপৰি ৰাজ্যখনৰ জনসাধাৰণৰ জীৱন ধাৰণৰ পথ মুকলি কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত গুৰুত্ব পূৰ্ণ যোগাযোগ আৰু আন্তঃগাঁথনিমূলক পদক্ষেপসমূহৰ কথা উল্লেখ কৰে। তেওঁ ৫০ কোটি টকা ৰাজ্যিক পুঁজিৰে তুৰা বিমান বন্দৰৰ সম্প্ৰসাৰণ, হেলিপৰ্ট উন্নয়ন, ৰাজ্যখনত স্থাপন হ'বলগীয়া তথ্য প্ৰযুক্তি উদ্যান, এখন চিকিৎসা মহাবিদ্যালয়, অতিৰিক্ত সচিবালয় আৰু নগৰ সৌন্দৰ্য্যকৰণ প্ৰকল্পৰ বিষয়ে প্ৰকাশ কৰে। শ্ৰীচাংমাই কয়, যে ১৩০ কোটি টকা ব্যয়সাপেক্ষে টুৰাত নিৰ্মাণ হ'বলগীয়া ৰিজৰ্ট প্ৰকল্প হৈছে গাৰো পাহাৰৰ উন্নয়নৰ দিশত এটা গুৰুত্ব পূৰ্ণ পদক্ষেপ। ৰাজ্যখনৰ পৰ্যটন আৰু আনুষংগিক খণ্ডৰ কৌশলগত বিকাশৰ জৰিয়তে মেঘালয়ক ১হাজাৰ কোটি টকাৰ অৰ্থনীতি হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে এনে পদক্ষেপ গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰী চাংমাই উল্লেখ কৰে।

০০০০০

ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুইজ ইনাচিঅ' লুলা দ্যা ছিলভা অহা ১৮ ফেব্ৰুৱাৰীত ৫ দিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আমন্ত্ৰণমৰ্মে নতুন দিল্লীত হ'বলগীয়া ভাৰত - **কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰভাৱ** সন্মিলনত ভাগ লোৱা উদ্দেশ্যে ৰাষ্ট্ৰপতিগৰাকীয়ে ভাৰতলৈ আহিব। নতুন দিল্লীত আজি সাংবাদিকৰ

সৈতে হোৱা কথা-বতৰাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয়, যে ২১ ফেব্ৰুৱাৰীত ভাৰত আৰু ব্ৰাজিলৰ মাজত দ্বিপাক্ষিক আলোচনা অনুষ্ঠিত হ'ব।

০০০০০

টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ভাৰত নামিবিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। নামিবিয়াই টছত জিকি ভাৰতক প্ৰথমে বেটিং কৰাৰ বাবে আমন্ত্ৰণ জনাইছে। বাতৰি যুগুত কৰাৰ সময়লৈ ভাৰতে ......অভাৰত .... উইকটেৰ বিনিময়ত ...... ৰাণ সংগ্ৰহ কৰে।

মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ গ্ৰুপ-চিৰ এখন খেলত ইটালিয়ে আজি নেপালক ১০ উইকেটত পৰাস্ত কৰে। নেপালে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ১৯ অভাৰ ৩টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১২৩ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ইটালিয়ে ১৩ অভাৰত এটাও উইকেট নেহেৰুৱাকৈ নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়।

ইয়াৰ পূৰ্বে আজি শ্ৰীলংকাৰ পাল্লিকেলে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত শ্ৰীলংকাই ওমানক ১০৫ ৰানত পৰাস্ত কৰে। শ্ৰীলংকাই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৫টা উইকেট হেৰুৱাই ২২৫ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ওমানে নিৰ্ধাৰিত অভাৰত ৯ উইকেটৰ বিনিময়ত ১২০ ৰানহে কৰিবলৈ সমৰ্থ হয়।

০০০০০

সমাপ্ত